**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। জি এছ্ টিৰ হাৰ হ্ৰাস হ'লে ঘৰুৱা সঞ্চয় অধিক হোৱাৰ লগতে ব্যৱসায়ৰ সুবিধা বৃদ্ধি পাব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত নতুনকৈ দেশৰ ২৫ লাখ যোগ্য পৰিয়ালক প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত ৰন্ধন গেছৰ সুবিধা আগবঢ়াব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। গোৱাৰ সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানত আজি দশম ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস উদযাপন কৰা হ'ব।

৪। গুৱাহাটীৰ সমীপৰ সোণাপুৰত আজি যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

*আৰু*

৫। এছিয়া কাপ টি-২০ প্ৰতিযোগিতাৰ ছুপাৰ-ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

OOOOO

জি এছ টিৰ হাৰ হ্ৰাস হ'লে ঘৰুৱা সঞ্চয় অধিক হ'ব আৰু ব্যৱসায় কৰাত সুবিধা বৃদ্ধি পাব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰকাশ কৰে। কালি নৱৰাত্ৰিৰ প্ৰথম দিনটোত দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰি মোদীয়ে কয় যে জি এছ টিৰ হাৰ কম হোৱাৰ অৰ্থ হ'ল প্ৰতিখন ঘৰত অধিক সঞ্চয় আৰু ব্যৱসায় বৃদ্ধি হোৱা। কালিৰ পৰা কাৰ্য্যকৰী হোৱা জি এছ টি সংস্কাৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে এই প্ৰক্ৰিয়াই 'জি এছ টি সঞ্চয় উৎসৱ'ৰ বাট মুকলি কৰিছে। তেওঁ লগতে কয় যে এই সংস্কাৰসমূহে সঞ্চয় বৃদ্ধি কৰাৰ লগতে কৃষক, মহিলা, যুৱক-যুৱতী, দৰিদ্ৰ, মধ্যবিত্ত শ্ৰেণী, ব্যৱসায়ী আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগকে ধৰি সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোককে প্ৰত্যক্ষভাৱে উপকৃত কৰিব। প্ৰধানমন্ত্ৰীয়ে কয় যে জি এছ টি সংস্কাৰে অধিক বৃদ্ধি আৰু বিনিয়োগক উৎসাহিত কৰিব আৰু প্ৰতিখন ৰাজ্য আৰু অঞ্চলৰ অগ্ৰগতি ত্বৰান্বিত কৰিব। তেওঁ লগতে কয় যে কৰ হ্ৰাস, মূল্য হ্ৰাস আৰু সৰল নিয়মৰ অৰ্থ হ'ব বিক্ৰী বৃদ্ধি,ঋণৰ বোজা হ্ৰাস আৰু বিশেষকৈ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডত সুযোগ বৃদ্ধি। প্ৰধানমন্ত্ৰীয়ে কয় যে এই সংস্কাৰে দেশৰ স্থানীয় উৎপাদনৰ ভেটি শক্তিশালী কৰি আত্মনিৰ্ভৰ ভাৰতৰ বাট প্ৰশস্ত কৰিব।

OOOOO

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি অৰুণাচল প্ৰদেশৰ ২৪০ মেগাৱাট শক্তিসম্পন্ন হেঅ' জলবিদ্যুৎ প্ৰকল্প আৰু ১৮৬ মেগাৱাট শক্তিসম্পন্ন টাটো জলবিদ্যুৎ প্ৰকল্পৰ প্ৰথমটো গোটৰ আধাৰশিলা স্থাপন কৰে। ৰাষ্ট্ৰীয় তাপবিদ্যুৎ নিগমৰ অধীনত ৩ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ এই দুয়োটা প্ৰকল্প উত্তৰ পূৱ বিদ্যুৎ শক্তি নিগম চমুকৈ নিপকো আৰু অৰুণাচল প্ৰদেশ চৰকাৰৰ যৌথ উদ্যোগত নিৰ্মাণ কৰা হ'ব। উল্লেখযোগ্য যে ৰাজ্যখনৰ চি অ'মি জিলাৰ চিঅ'মত নিৰ্মাণ কৰিবলগীয়া হেঅ' জলবিদ্যুৎ প্ৰকল্পত ৮০ মেগাৱাটকৈ শক্তিৰ ৩ টা উৎপাদন গোট থাকিব। টাটো জলবিদ্যুৎ প্ৰকল্পত ৩ টাকৈ ৬২ মেগাৱাট শক্তি উৎপাদনক্ষম গোট থাকিব। এই উপলক্ষে দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰত এখন বিকশিত ৰাষ্ট্ৰত পৰিণত হোৱাৰ ক্ষেত্ৰত সকলো ৰাজ্যৰ অৱিহণা গুৰুত্বপূৰ্ণ হ'ব। শক্তিখণ্ডত ২০৩০ চনৰ ভিতৰত ভাৰতে ৫০০ গিগাৱাট শক্তি উৎপাদনৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা লেখতল'বলগীয়া হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। কালিৰ এই অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল জেনেৰেল কে টি পাৰনায়ক, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

ইয়াৰ পাছত তেওঁ ইটানগৰত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে আৰু ৰাজ্যখনৰ স্থানীয় কৰদাতা, ব্যৱসায়ী আৰু উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰে।

অৰুণাচল প্ৰদেশৰ পৰা প্ৰধানমন্ত্ৰী কালি ত্ৰিপুৰালৈ যায় আৰু ত্ৰিপুৰাত **প্ৰাসাদ** আঁচনিৰ অধীনত মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰৰ চৌহদত নতুনকৈ গঢ়ি তোলা বুনিয়াদী সা-সুবিধা আৰু সৌন্দৰ্যবৰ্ধন কাৰ্য মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰত পূজা আগবঢ়োৱাৰ লগতে মন্দিৰ চৌহদত আয়োজন কৰা এখন প্ৰদৰ্শনীও পৰিদৰ্শন কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বৰ্ষত নতুনকৈ দেশৰ ২৫ লাখ যোগ্য পৰিয়ালক প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত ৰন্ধন গেছৰ সুবিধা আগবঢ়াব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে। নৱৰাত্ৰিৰ প্ৰথম দিনা দেশৰ মহিলাসকললৈ শুভেচ্ছা জ্ঞাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে এই পদক্ষেপে পবিত্ৰ নৱৰাত্ৰি উৎসৱৰ সময়ত তেওঁলোকলৈ আনন্দৰ বাৰ্তা কঢ়িয়াই অনাই নহয় মহিলা সৱলীকৰণৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে কয়, যে চৰকাৰে ৰন্ধন গেছৰ ২৫ লাখ নতুন সংযোগৰ প্ৰতিটোৰ বাবে দুহেজাৰৰো অধিক টকা ব্যয় কৰিব। তেওঁ কয়, যে এই নতুন সংযোগৰ দ্বাৰা উজ্জ্বলা পৰিয়ালৰ সংখ্যা ১০ কোটি ৫৮ লাখলৈ বৃদ্ধি পাব। শ্ৰীপুৰীয়ে কয়, যে দেশৰ প্ৰতিগৰাকী মহিলাৰ বাবে স্বচ্ছ ৰন্ধন ইন্ধন সহজে উপলভ্য কৰোৱাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিশ্চিত কৰিছে।

০০০০০

গোৱাৰ সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানত আজি দশম ৰাষ্ট্ৰীয় আয়ুৰ্বেদ দিৱস উদযাপন কৰা হ'ব। পৰম্পৰাগত ভাৰতীয় ঔষধক গোলকীয় প্ৰেক্ষাপটলৈ লৈ যোৱাৰ উদ্দেশ্যে এই দিৱসৰ আয়োজন কৰা হয়। কেন্দ্ৰীয় আয়ুষ ৰাজ্য মন্ত্ৰী প্ৰতাপৰাও যাধৱে এই দিৱসৰ শুভাৰম্ভ কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় শক্তি আৰু নতুন আৰু নৱীকৰণযোগ্য শক্তি বিভাগৰ ৰাজ্য মন্ত্ৰী শ্ৰীপদ য়েশো নায়কেও অংশগ্ৰহণ কৰিব। এইবাৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- **জনসাধাৰণ বাবে আয়ুৰ্বেদ, গ্ৰহৰ বাবে আয়ুৰ্বেদ।** দিৱসৰ সৈতে সংগতি ৰাখি আয়ুৰ্বেদৰ ক্ষেত্ৰখনলৈ উল্লেখনীয় বৰঙণি আগবঢ়োৱা বিশেষ ব্যক্তিসকলক

চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় ধনৱন্তী আয়ুৰ্বেদ বঁটা প্ৰদান কৰা হ'ব। আজিৰ এই অনুষ্ঠানত গোৱাৰ সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানত জনসাধাৰণৰ বাবে স্বাস্থ্য যতনৰ কেতবোৰ নতুন সেৱাও মুকলি কৰা হ'ব।

00000

ৰাজ্য চৰকাৰে অসমৰ জনসাধাৰণৰ বিপুল দাবীৰ পৰিপ্ৰেক্ষিতত আদৰৰ শিল্পী জুবিন গাৰ্গৰ পুনৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে আজি পুৱাৰ ভাগত তেওঁৰ নশ্বৰদেহ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হৈছে। ইয়াৰ পূৰ্বে ছিংগাপুৰত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছে যদিও ৰাইজে সমগ্ৰ ঘটনাটোক লৈ সন্দেহ প্ৰকাশ কৰাৰ লগতে বাৰম্বাৰ পুনৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে দাবী উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে বাধ্য হৈ এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি শেষকৃত্য সময়ৰ কিছু সালসলনি হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে পুৱা চাৰে ৭ বজাত এইমছৰ বিশেষজ্ঞ চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰিব। ইয়াৰ আনুমানিক ডেৰ ঘণ্টামানৰ পাছত শিল্পীগৰাকীক সৰুসজাই ষ্টেডিয়ামলৈ লৈ যোৱা হ'ব। ইয়াৰ পাছতে শেষকৃত্যৰ বাবে সমদল উলিওৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

00000

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কালি নতুন দিল্লীত প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণ সম্বলিত 'সবকা সাথ সবকা বিকাশ, সবকা বিশ্বাস সবকা প্ৰয়াস' শীৰ্ষক চাৰিখন গ্ৰন্থ সংকলন মুকলি কৰে। তেওঁ কয়, প্ৰধানমন্ত্ৰী মোডী সমগ্ৰ দেশ আৰু বিদেশৰ লাখ লাখ লোকৰ বাবে প্ৰেৰণা। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰী শ্ৰী মোডী সাধাৰণ মানুহৰ প্ৰতিনিধিৰ পৰা জনসাধাৰণৰ প্ৰকৃত নেতালৈ উন্নীত হৈছে। তেওঁ কয় যে কোনো প্ৰতিদনা আশা নকৰাকৈ মানৱতাৰ সেৱা কৰিলে ই সফলতা কঢ়িয়াই আনে আৰু প্ৰধানমন্ত্ৰী মোদীয়ে এই কথা প্ৰমাণ কৰিছে।

উপ ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণনে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দ্বিতীয় কাৰ্যকালৰ চতুৰ্থ আৰু পঞ্চম বছৰৰ নিৰ্বাচিত ভাষণ সন্নিবিষ্ট এই গ্ৰন্থসমূহে সুশাসনৰ প্ৰতি তেওঁৰ দৃষ্টিভংগী সুন্দৰকৈ প্ৰকাশ কৰিছে। ৰাজ্যসভাৰ উপ অধ্যক্ষ হৰিৱংশে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী বিশ্বৰ অন্যতম শ্ৰেষ্ঠ যোগাযোগকাৰী হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, শ্ৰী মোদীয়ে তেওঁৰ ভাষণেৰে দেশবাসীক অনুপ্ৰাণিত কৰে। তেওঁ লগতে কয় যে, স্বাধীনতাৰ পিছত ভাৰতে ঔপনিৱেশিক শাসনৰ ছাঁৰ পৰা ওলাই অহাৰ পিছতো ২০১৪ চনৰ পিছতহে ভাৰতে নিজৰ সংস্কৃতি আৰু প্ৰাচীন ঐতিহ্যৰ বিষয়ে গৌৰৱেৰে ক'বলৈ আৰম্ভ কৰিছিল।

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজনীতিক জনসাধাৰণৰ সেৱাৰ মাধ্যম হিচাপে গঢ়ি তুলিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত ভাৰতে বিশ্বৰ সৰ্ববৃহৎ খাদ্য সুৰক্ষা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে, যাৰ জৰিয়তে ৮০ কোটিৰো অধিক লোকক বিনামূলীয়া খাদ্য ৰ সুবিধা দিয়া হৈছে বুলিও শ্ৰী বৈষ্ণৱে উল্লেখ কৰে। তেওঁ লগতে কয় যে সমগ্ৰ দেশতে ৫৪ কোটি জন ধন একাউণ্ট খোলাৰ লগতে ১৩ কোটি শৌচাগাৰ নিৰ্মাণ কৰা হৈছে। তথ্য আৰু সম্প্ৰচাৰ সম্পাদক সঞ্জয় জাজুৱে কয় যে, প্ৰকাশন বিভাগ তথ্য আৰু

**সম্প্ৰচাৰ মন্ত্ৰালয়ৰ এটা প্ৰধান গোট। তেওঁ কয় যে ১৯৪১ চনৰ পৰা বিভাগটোৱে বিভিন্ন গ্ৰন্থ আকৰ্ষণীয় ভাৱে পাঠকৰ বাবে প্ৰস্তুত কৰি আহিছে।**

০০০০০

অসমৰ কোকৰাঝাৰ, বাক্সা, চিৰাং, ওদালগুৰি আৰু তামুলপুৰত কালি অনুষ্ঠিত বিটিচি পৰিষদীয় নিৰ্বাচনত ৭৭ দশমিক ৯ শতাংশ ভোটদান হোৱাৰ বাতৰি পোৱা গৈছে। মুঠ ৩ হাজাৰ ৩৫৯টা ভোটগ্ৰহণ কেন্দ্ৰত এই নিৰ্বাচন অনুষ্ঠিত হয়। এই নিৰ্বাচনত মুঠ ৩১৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০০

এছিয়া কাপ টি-২০ প্ৰতিযোগিতাৰ ছুপাৰ-ফ'ৰ পৰ্যায়ৰ এখন খেলত আজি পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আবু ধাবিৰ শ্বেখ জায়েদ ষ্টেডিয়ামত হ'বলগীয়া এই খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। ভাৰত আৰু বাংলাদেশে ইতিমধ্যে ২ পইণ্টতকৈ লাভ কৰিছে যদিও পাকিস্তান আৰু শ্ৰীলংকা এতিয়াও ছুপাৰ-ফ'ৰত কোনো পইণ্ট লাভ কৰা নাই। আজিৰ এই খেলখনত পৰাস্ত হোৱা দলটো অধিক জটিল পৰ্যায়লৈ লৈ যাব আৰু সেই দলটোৱে প্ৰতিযোগিতাত বৰ্তি থকাৰ বাবে আন খেলসমূহৰ পৰিণাম আৰু মুঠ ৰান ৰেটৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। ভাৰতৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছত পাকিস্তানৰ দলটোৱে আজিৰ খেলখনত জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাব। লীগ পৰ্যায়ত তিনিখন জয়লাভেৰে গ্ৰুপ-বিত শীৰ্ষত থকা শ্ৰীলংকাই ছুপাৰ-ফ'ৰৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে ৪ উইকেটত পৰাস্ত হৈছিল।

০০০০০

সমাপ্ত